# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## বুধবাৰ, ৮ জুলাই, ২০২৬

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, আৱকাৰী, কৃষি, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, জলসম্পদ, ন্যায়।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **জলবিদ্যুৎ প্ৰকল্প সম্পৰ্কে**

ড° জয় প্ৰকাশ দাস ঃ

* ৪১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গেৰুকামুখত নিৰ্মিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পৰা নামনি অংশত নদীখনৰ দুয়োফালে সংঘটিত হৈ থকা তীব্ৰ গৰাখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত হয়, তেন্তে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি কি অঞ্চলত বৰ্তমানলৈকে কাম সম্পন্ন কৰিছে আৰু কি কি অঞ্চলত এতিয়াও গৰাখহনীয়া প্ৰতিৰোধৰ কাম কৰিবলগীয়া আছে?

(গ) এই গৰাখহনীয়া প্ৰৱল অঞ্চলসমূহত প্ৰতিৰোধমূলক ব্যৱস্থাৰ ক্ষেত্ৰত কোনখিনি কাম NHPC কৰ্তৃপক্ষই সম্পন্ন কৰিব আৰু কোনখিনি কাম জলসম্পদ বিভাগে সম্পন্ন কৰিব?

(ঘ) উক্ত কামসমূহ কেতিয়াৰ ভিতৰত সম্পন্ন কৰা হ'ব, জনাব।

*বিষয় ঃ* **বন্যা আশ্ৰয় ও শ্লুইচগেট সম্পৰ্কে**

শ্ৰী আমিনূল হক লস্কৰ ঃ

* ৪২। মাননীয় জল সম্পদ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) ১১৯ নং সোনাই বিধানসভায় সৰ্বমোট কয়টি বন্যা আশ্ৰয়কেন্দ্ৰ আছে এবং এগুলো কোথায় আছে?

(খ) ১১৯ নং সোনাই বিধানসভার আমজুরঘাটে কি কোনো বন্যা আশ্ৰয়কেন্দ্ৰ আছে?

(গ) ১১৯ নং সোনাই বিধানসভার

বেতুকান্দি Double Shutter শ্লুইচগেটে ঠিকাপ্রাপ্ত ঠিকাদার কে?

(ঘ) কবে বেতুকান্দি Double Shutter শ্লুইচগেটে কাজ শুরু হবে?

*বিষয় ঃ* **দিচাং নদীৰ খহনীয়া ৰোধ আৰু প্রতিকাৰ।**

শ্রী ধর্ম্মেশ্বৰ কোঁৱৰ ঃ

* ৪৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সোণাৰি সমষ্টিৰ বৰহাটৰ পৰা ভজো অঞ্চললৈকে দিচাং নদীৰ খহনীয়াৰ কবলত পৰা গাঁওসমূহৰ বিষয়ে বিভাগ অৱগত নে?

(খ) উক্ত অঞ্চল সমূহত দিচাং নদীৰ খহনীয়া ৰোধ কৰাৰ উদ্দেশ্যে বিভাগে কোনো পৰিদর্শন বা কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে তাৰ সবিশেষ জনাবনে?

*বিষয় ঃ* **অসম চুক্তিৰ বিভিন্ন দফা ৰূপায়ণ**

শ্রী প্রকাশ চন্দ্র দাস ঃ

* ৪৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি স্বাক্ষৰৰ পিছত চুক্তিৰ বিভিন্ন দফা ৰূপায়ণৰ বাবে কি কি পদক্ষেপ গ্রহণ কৰা হৈছে?

(খ) প্রতিটো কার্য্যকালত কি কি পদক্ষেপ গ্রহণ কৰা হৈছে?

(গ) কোন কোন দফা এতিয়াও সম্পূর্ণৰূপে কার্য্যকৰী হোৱা নাই?

*বিষয় ঃ* River Embankment

শ্রী কিশোর নাথ ঃ

* ৪৫। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ১১৭ নং বড়খলা বিধান সভা সমষ্টির অন্তর্গত বরাক নদী ও জাটিঙ্গা নদীর তীরবর্তী এলাকায় নদীভাঙন রোধের জন্য সরকার কর্তৃক কোনো স্থায়ী বা অস্থায়ী প্রতিরোধমূলক ব্যবস্থা গ্রহণ করা হয়েছে কি?

(খ) যদি হয়ে থাকে, তবে উক্ত প্রকল্প সমূহের নাম, ব্যয় এবং বর্তমান অগ্রগতির বিবরণ কী?

(গ) যদি এখনো কোনো কার্যকর ব্যবস্থা গ্রহণ করা না হয়ে থাকে, তবে নদীভাঙনে ক্ষতিগ্রস্ত জনসাধারণের স্বার্থে কবে নাগাদ নদীভাঙন প্রতিরোধের কাজ গ্রহণ করার পরিকল্পনা রয়েছে?

(ঘ) বড়খলা সমষ্টির কোন কোন এলাকা নদীভাঙন প্রবণ হিসেবে চিহ্নিত করা হয়েছে এবং সেসব এলাকায় স্থায়ী বাঁধ বা সুরক্ষা প্রকল্প গ্রহণের বিষয়ে সরকারের কোনো পরিকল্পনা আছে কি?

*বিষয় ঃ* **চৰকাৰী আৱাস /GEO-TAG**

শ্রী তাঞ্জিল হুছৈন ঃ

* ৪৬। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০২৫-২৬ বিত্তীয় বর্ষত অসমত সর্বমুঠ কিমানটা পৰিয়ালৰ GEO-TAG কৰা হ'ল আৰু কিমান পৰিয়ালৰ চৰকাৰী আৱাসৰ কাৰণে GEO-TAG কৰিবলৈ বাকী আছে?

খ) উক্ত বিত্তীয় বর্ষত ৫৮ নং চামগুৰী

বিধানসভা সমষ্টিত চৰকাৰী আৱাস যোজনাৰ কাৰণে কিমান পৰিয়ালৰ GEO-TAG কৰা হ'ল আৰু কিমানটা পৰিয়াল GEO-TAG কৰিবলৈ বাকী আছে? বাকী থকা পৰিয়াল সমূহৰ কেতিয়ালৈ GEO-TAG কৰিব?

গ) GEO-TAG কৰা কিমানটা পৰিয়ালে বৰ্তমানলৈকে চৰকাৰী আৱাস যোজনাৰ ঘৰ লাভ কৰিলে?

ঘ) চৰকাৰী আৱাস যোজনাৰ ঘৰৰ নামত লাভ কৰা ধনৰ পৰিমাণ কিমান? এই ধন হিতাধিকাৰীক কেইটা কিস্তিত, কি পৰিমাণে কিমান দিনৰ ব্যৱধানত দিয়া হয়? (বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*Subject :* **Registered Farmers**

M. Badruddin Ajmal :

* 47. Will the Minister of Agriculture Department be pleased to state :

a) How many people are involved in agricultural activities in Assam ? What is the percentage of farmers in comparison to total population of Assam ?

b) How many registered farmers are there in Assam ? Please provide district wise nos. of farmers.

c) Is the Govt. aware that maximum genuine farmers are not registered in Agriculture Department ? If yes, what are the programs initiated by the Department till date, please furnish.

*বিষয় ঃ* **কৃষকলৈ যোগান ধৰা সামগ্ৰী**

শ্ৰী নুৰুল ইছলাম ঃ

* ৪৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে অসমৰ কৃষক সমাজক সামগ্ৰী যোগান ধৰিবলৈ বিগত ৫ বছৰত কি কি সামগ্ৰী, কিমান পৰিমাণে ক্ৰয় কৰিছে? ইয়াৰ বাবে কিমান টকা ব্যয় হৈছে? বৰ্ষভিত্তিক ক্ৰয় কৰা সামগ্ৰীৰ তালিকা, পৰিমাণ আৰু মূল্য নিৰিখ উল্লেখসহ বিস্তৃত তথ্য দাখিল কৰিব।

(খ) উক্ত সামগ্ৰীসমূহ কি কি প্ৰক্ৰিয়াৰ মাজেৰে কোন কোন প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰা হৈছিল আৰু ক্ৰয় কৰাৰ সময়ত সকলো বিধিগত প্ৰক্ৰিয়া মানি চলা হৈছিল নে? যদি হৈছিল, ক্ৰয় কৰা সামগ্ৰীৰ নিবিদা আহ্বানৰ আদেশ পত্ৰ, নিবিদা আহ্বান ৰাজহুৱা বিজ্ঞাপনৰ প্ৰতিলিপি, দাখিল কৰা নিবিদাৰ সমগ্ৰ নথি-পত্ৰ, ৱৰ্ক অৰ্ডাৰ, সামগ্ৰী যোগানৰ সমস্ত নথি-পত্ৰ পৃথকে পৃথকে দাখিল কৰিব।

(গ) উক্ত ক্ৰয় কৰা সামগ্ৰীসমূহ কোন কোন কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ জৰিয়তে, কোন সময়ত, কিমান পৰিমাণকৈ কৃষকৰ মাজত যোগান ধৰা হৈছিল? (বিস্তৃত তথ্যসহ দিব)

(ঘ) উক্ত সময়ছোৱাত বৰ্তমান সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত এলেকাৰ কোন কোন কৃষকে কিমান পৰিমাণে সামগ্ৰী যোগান লাভ কৰিছে, সেই বিষয়ে চৰকাৰ অৱগত নে? যদি হয়, ইয়াৰ সম্পূৰ্ণ তালিকা সদনত দাখিল কৰিব।

*বিষয়ঃ* **দেশীয় সুৰাৰ বিপনীক বিলাতী সুৰাৰ বিপনীলৈ উন্নীতকৰণ কৰাৰ সম্পৰ্কত।**

শ্ৰী বিশ্বজিৎ ফুকন ঃ

* ৪৯। মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেশীয় সুৰাৰ বিপণীক বিলাতী সুৰাৰ বিপণীলৈ উন্নীতকৰণ কৰা প্ৰক্ৰিয়াত সৰুপথাৰ সমষ্টিৰ কোনো দেশীয় সুৰাৰ বিপণীক বিলাতী সুৰাৰ বিপণী লৈ উন্নীতকৰণ কৰা হৈছে নেকি?

(খ) যদি হৈছে, দেশীয় সুৰাৰ বিপণীক বিদেশী সুৰাৰ বিপণী লৈ উন্নীতকৰণ কৰাৰ প্ৰয়োজন হোৱা স্থানীয় লোকৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ (NOC) গ্ৰহণ কৰা হৈছিল নে?

(গ) গোলাঘাট জিলা আয়ুক্তই যোগদান কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে দেশীয় সুৰাৰ বিপণীক বিলাতী সুৰাৰ বিপণী লৈ উন্নীতকৰণ কৰাৰ ফাইল চহী কৰাৰ অভিযোগ সঁচা নেকি?

*বিষয়ঃ* **ডিগবৈ সমষ্টিৰ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত থকা কৃষি ভূমিসমূহ কৃষি উপযোগীকৈ ব্যৱস্থা লোৱাৰ সম্পৰ্কে।**

শ্ৰী সুৰেণ ফুকন ঃ

* ৫০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ডিগবৈ সমষ্টিৰ অন্তৰ্গত ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ বৰতৰাণি, বেতনি, শান্তিপুৰ, বেঙেনাবাৰী, ৰাইডাং, টিংৰাই, অসমীয়া গাঁও, ৰাইডাং বঙালী ইত্যাদি গাঁৰৰ কৃষক ৰাইজৰ একেলগে থকা বৃহত্তৰ ৩ হাজাৰোধিক কৃষিভূমিত বছৰত কেৱল এটা খেতি (শালি খেতি) কৰা হয়। এই বৃহৎ কৃষিভূমি অঞ্চল বছৰৰ অৰ্ধেক সময় পৰিত্যক্ত হৈ থাকে। এই বৃহৎ কৃষি ভূমিক বছৰৰ সকলো সময়তে খেতি কৰাৰ বাবে বিভাগে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

*বিষয়ঃ* **এম. জি. এন ৰেগা (MGNREGA) আঁচনি ৰূপায়ণ সম্পৰ্কে।**

মো আশ্ৰাফুল ইছলাম শ্বেখ ঃ

* ৫১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫ নং পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ এম. জি. এন ৰেগা আঁচনিত কিমান টকা খৰচ কৰা হ'ল আৰু এই এম. জি. এন ৰেগা আঁচনিত মেটেৰিয়েলচৰ বিল কিমানজন হিতাধিকাৰীৰ নামত উঠোৱা হৈছে? তথ্য সহকাৰে জনাবলৈ চৰকাৰক অনুৰোধ জনালো।

(খ) যদি কোনো ধৰণৰ বিল উঠোৱা হোৱা নাই, তথ্য সহকাৰে জনাবলৈ অনুৰোধ জনালো।

*বিষয়ঃ* **কৃষকৰ কল্যাণৰ আঁচনি সম্পৰ্কে**

শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ

* ৫২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান পঞ্জীয়নভুক্ত কৃষক আছে? বিধানসভাৰ সমষ্টি ভিত্তিত তথ্য দিব।

(খ) কৃষকৰ পঞ্জীয়ন বিভাগে কি ধৰণে কৰে? জনাব।

(গ) কৃষক সকলক বিভাগে কি কি সাহাৰ্য্য প্ৰদান কৰে? বিগত দুই বছৰত

সাহাৰ্য্যপ্ৰাপ্ত কৃষকৰ সমষ্টি ভিত্তিত তালিকা দিব।

(ঘ) অসমত বিভিন্ন শস্যৰ ফচল বীমাকৰণ কৰিছে নেকি? যদি কৰিছে, সমষ্টি ভিত্তিত তালিকা দিব।

(ঙ) প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ অধীনত অসমত কিমান কৃষকৰ বীমাকৰণ কৰা হৈছে আৰু বীমাকৰণৰ ফলত কিমান কৃষক উপকৃত হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

(চ) অসমত কিমান হেক্টৰ কৃষিভূমি আছে? তাৰ তথ্য দিব।

(ছ) কৃষক সকলক বিভাগে যোগান ধৰা বীজসমূহৰ গুণগত মান পৰীক্ষা কৰে নে? এই বীজসমূহ ব্যৱহাৰ কৰি সময়ে সময়ে কৃষক সকল ক্ষতিগ্ৰস্ত হোৱাৰ খবৰ বিভাগৰ হাতত আছে নে? যদি আছে, চলিত বছৰত কিমান কৃষক ক্ষতিগ্ৰস্ত হৈছে? তাৰ তালিকা দিব।

(জ) বজাৰত উপলব্ধ ধানৰ বিধান লাল গংগা ধানৰ খেতি কৰি পথাৰত পতান ওলাইছে। এই লাল গংগাৰ বীজ যোগান ধৰা প্ৰতিষ্ঠানৰ বিৰুদ্ধে বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে? সেই বিষয়ে জনাব।

*বিষয়ঃ* **পলাশবাৰী সমষ্টিৰ অন্তৰ্গত খেতি পথাৰ সমূহত জলসিঞ্চন ব্যৱস্থা গ্ৰহণ কৰাৰ সম্পৰ্কে।**

শ্ৰী হিমাংশু শেখৰ বৈশ্য ঃ

* ৫৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কিছু সংখ্যক খেতি পথাৰ পানীৰ অভাৱত ছন পৰা পৰিলক্ষিত হৈছে? উক্ত খেতিপথাৰ সমূহত জলসিঞ্চন ব্যৱস্থাৰ কিবা পৰিকল্পনা আছে নেকি? বিষয়টো সদনত বিতংকৈ জনাব।

*Subject :* **Creation of a Sub-Divisional Judicial Magistrate Court.**

Shri Maheswar Baro :

* 54. Will the Minister of Judicial Department be pleased to state :

a) Is the Government aware that the Bhergaon Civil Sub-Division does not have a Judicial Department ?

b) If so, will the Government take necessary steps to establish a Sub-Divisionel Magistrate Court in the coming days ?

*বিষয়ঃ* **চুবুৰীয়া ৰাজ্যই কৰা বেদখল আৰু সীমা বিবাদ নিষ্পত্তি।**

শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ

* ৫৫। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমান ভূমি চুবুৰীয়া ৰাজ্যই বেদখল কৰিছে? তাৰ বিতং তথ্য দাখিল কৰিব।

(খ) চুবুৰীয়া ৰাজ্যৰ সৈতে থকা সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে এতিয়ালৈকে কি কি পদক্ষেপ লোৱা হৈছে? বিতংকৈ জনাব। বিভিন্ন ৰাজ্যৰে হোৱা চুক্তিৰ ফলত অসমে কিমান মাটি ঘূৰাই পালে? কিমান এৰি দিব লগা হ'ল, তাৰ বিতং তথ্য দিব।

(গ) অসমৰ সৈতে সংলগ্ন আন্তঃৰাজ্যিক

আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে ২০১৬ ৰ পৰা এতিয়ালৈকে ধাৰ্য্য কৰা পুঁজিৰ বিপৰীতে কিমান ব্যয় কৰা হৈছে? তাৰ বিতং তথ্য পৃথকে পৃথকে দাখিল কৰিব। কেন্দ্ৰ আৰু ৰাজ্যৰ পুঁজি ব্যয়ৰ অনুপাত কেনে ধৰণৰ জনাব।

(ঘ) ২০১৬ চনৰ পিছত সীমান্ত উন্নয়নৰ বাবে পুঁজিৰ আবন্টন কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি ৰাখিছে নেকি? যদি ৰাখিছে ইয়াৰ কাৰণ কি? পুঁজি অনাৰ কি ব্যৱস্থা কৰা হৈছে জনাব।

(ঙ) শেহতীয়াকৈ খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ অন্বেষণৰ বাবে অসম-নাগালেণ্ডৰ মাজত যি চুক্তি হৈছে তাৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিব।

*Subject :* **Protection from erosion of river Beki.**

Shri Sherman Ali Ahmed :

* 56. Will the Minister of Water Resources Department be pleased to state :

a) Is the Government aware of serious erosion of river Beki in the following villages :
Shawrachara Gaon (R/B), Shawrachara Pather (L/B & R/B) Mazidbhita (R/B), Daukmari (R/B), Sonpura (L/B & R/B), Kharballi (L/B & R/B), Kalampur (L/B & R/B), Rasulpur (L/B & R/B), Kaurjahi (R/B), Galia (R/B), Srirampur (R/B), Banglipara (R/B), Kasukati (R/B), Baniarapara (R/B), Satrakanara 14 No. Seat (L/B), Morabhaj (L/B), Sheorarbhita (L/B), Sonapur (R/B & L/B),1 No. Rasulpur (R/B & L/B), Chandpur (R/B), Alipur (R/B & L/B), Koemari (L/B & R/B), Tapajuli Pather (L/B & R/B), Hassanpur (R/B & L/B) ?

(b) If yes, would the Government be pleased to take immediate measures for protection ?

(c) Is it true that, proposals under "No Regret" for Protection of Balaipather, Kharballi and Amguri were submitted under WB ?

(d) If yes, what is the present status ?

(e) What is the present status of implementation of proposals under "Variation" for villages amguri and Bardanga under WB ?

*বিষয় ঃ* **নদী ভাঙন প্রতিরোধ সম্পর্কিত**

শ্রী জাকারিয়া আহমেদ ঃ

* ৫৭। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) মাইজগ্রাম ২ নং ওয়ার্ড, লঙ্গাই নদী সংলগ্ন চোরবাজার, ভাঙ্গা, কুশিয়ারা নদী তীরবর্তী লাল বাবা আশ্রম এলাকা, মোড়লপাড়া, ওমরপুর, বুন্দাশীল, খাদিমান, মাদারপুর এবং বরাক নদীর তীরবর্তী বিভিন্ন এলাকায় ক্রমবর্ধমান নদী ভাঙনের বিষয়ে চরকার অবগত কি?

(খ) উক্ত এলাকাগুলিতে নদী ভাঙন প্রতিরোধে কী কী ব্যবস্থা গ্রহণ করা হয়েছে? চলমান বা প্রস্তাবিত প্রকল্প সমূহের বিস্তারিত

তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) উক্ত কাজের জন্য বরাদ্দ অর্থের পরিমাণ ও বাস্তবায়নের বর্তমান অগ্রগতি এবং ভবিষ্যতে স্থায়ী নদী ভাঙন প্রতিরোধে সরকারের পরিকল্পনা কী? বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ আৰু শ্বহীদৰ নাম আৰু ঠিকনা বিভ্ৰাত সন্দৰ্ভত।**

শ্ৰী চক্ৰধৰ গগৈ ঃ

* ৫৮। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৫ চনতে স্বাক্ষৰিত অসম চুক্তি অনুসৰি এই শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ ইমান পলমকৈ হোৱাৰ কাৰণ কি? জনাব।

(খ) এই স্মাৰক ক্ষেত্ৰত অংকিত কিমানজন শ্বহীদৰ মূৰ্তিৰ ফটো প্ৰকৃত আৰু কিমানজনৰ কাল্পনিক জনাব।

(গ) তাত উল্লেখিত শ্বহীদ সকলৰ সকলোৰে ঠিকনা সমূহ শুদ্ধনে? যদি কাৰোবাৰ অশুদ্ধ তেন্তে এই ঠিকনা কোনে যোগান ধৰিছিল? অশুদ্ধখিনি শুধৰণি কৰা হ'বনে? জনাব।

*বিষয় ঃ* **মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন সম্পৰ্কে।**

শ্ৰী মজিবুৰ ৰহমান ঃ

* ৫৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন অসমৰ সকলো সমষ্টিৰ জীৱিকা সখী (JEEVIKA SAKHI) সকলে লাভ কৰিছেনে? অসম উদ্যমিতা আঁচনিৰ ধন দলগাঁও সমষ্টিৰ জীৱিকা সখী সকলে নোপোৱাৰ কাৰণ কি? তেখেত সকলক এই আঁচনিৰ ধন দিয়াৰ বাবে চৰকাৰে বা সংশ্লিষ্ট বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) অসম ৰাজ্যিক গ্ৰামোন্নয়ন জীৱিকা মিছনৰ (Assam State Rural Livelihood Mission) অধীনত কৰ্মৰত জীৱিকা সখী সকলৰ মাহিলী নূন্যতম দহ হাজাৰ (10,000.00) টকা নিয়মিত মাননী দিয়াৰ ব্যৱস্থা চৰকাৰে ও সংশ্লিষ্ট বিভাগে কৰিবনে? যদি কিবা ব্যৱস্থা গ্ৰহণ কৰে কেতিয়ালৈ কৰিব?

(সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* **PMAY আৱাস যোজনা সম্পৰ্কে**

শ্ৰী আফতাব উদ্দিন মোল্লা ঃ

* ৬০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুখনৰ অন্তৰ্গত সৰ্বমুঠ কিমানটা PMAY আৱাস ঘৰ সম্পূৰ্ণ হৈছে আৰু কিমানটা PMAY আৱাস ঘৰ সম্পূৰ্ণ হৈ উঠা নাই, তথ্য সহকাৰে জনাব।

(খ) যোৱা বিধানসভা নিৰ্বাচনৰ আগে আগে পোৱা PMAY ৰ হিতাধিকাৰী সকলক দ্বিতীয় আৰু তৃতীয় কিস্তিৰ টকা কেতিয়া মুকলি কৰি দিয়া হ'ব? তথ্য সহকাৰে জনাব।

---

A.G.P. (Mini) LAQ - 01/2026/711-600-02-07-2026